জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৩০৪/২০২২**

**কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ উপস্থিতিত অনুষ্ঠিত তৃতীয় আৰক্ষী অধীক্ষক সন্মিলনত অংশগ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে**

**কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে আনুষ্ঠানিকভাৱে উদ্বোধন কৰিলে নৱনিৰ্মিত অসম আৰক্ষী সন্মিলন কেন্দ্ৰ**

# উগ্ৰপন্থীৰ বিৰুদ্ধে শূন্য সহনশীলতা, প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগ আৰু দুখীয়া মানুহৰ গোচৰসমূহক সৰ্বাধিক গুৰুত্ব প্ৰদান কৰিব লাগিব ঃ মুখ্যমন্ত্ৰী

- **অহা ৬ মাহত চাইবাৰ চিকিউৰিটি তথা চাইবাৰ অৰ্থনৈতিক অপৰাধ ৰোধ কৰাৰ বাবে দৃঢ়তাৰে পদক্ষেপ**
- **অপৰাধীক দোষী সাব্যস্ত কৰিব পৰাকৈ ব্যৱস্থা গ্ৰহণ কৰি সমাজখনলৈ প্ৰেৰণ কৰিব লাগিব আৰক্ষীয়ে শক্তিশালী বাৰ্তা**
- **জেহাদী মডিউল ধ্বংস কৰাৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰিব অধিক কঠোৰ পদক্ষেপ**

**দিছপুৰ, ৯ অক্টোবৰ ঃ** কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মুখ্য অতিথিৰূপে উপস্থিত থাকি উদ্বোধন কৰা তৃতীয় আৰক্ষী অধীক্ষক সন্মিলনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি অংশগ্ৰহণ কৰে। উল্লেখ্য যে অসম আৰক্ষীক অধিক দক্ষ তথা কৰ্মতৎপৰ বাহিনীৰূপে গঢ়ি তোলাৰ উদ্দেশ্যে দেৰগাঁৱৰ আৰক্ষী প্ৰশিক্ষণ চৌহদত এই সন্মিলনৰ আয়োজন কৰা হৈছে। ইয়াৰ পূৰ্বে বৰ্তমানৰ ৰাজ্য চৰকাৰখনৰ কাৰ্যকালত প্ৰথমখন আৰক্ষী অধীক্ষক সন্মিলন বিগত বৰ্ষৰ জুন মাহত কাজিৰঙাত আৰু দ্বিতীয়খন এনে সন্মিলন চলিত বৰ্ষৰ জানুৱাৰীত মাহত দুলীয়াজানত অনুষ্ঠিত হৈছিল।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ভাষণ প্ৰদান কৰা আজিৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে আজিৰ এই সন্মিলনত কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ উপস্থিতিয়ে বিগত সময়ছোৱাত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা কাম-কাজৰ স্বীকৃতি প্ৰদানকে সূচাইছে আৰু ইয়াৰ বাবে মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীক ধন্যবাদ জ্ঞাপন কৰে। বিগত ডেৰ বছৰত সকলোৰে মিলিত প্ৰচেষ্টাৰে ৰাজ্যখনত বহু কাম ভালদৰে সম্পন্ন হৈছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে সদৰি কৰে যে ৰাজ্যখনত ৪০,৬৭৮ টা গোচৰ হ্ৰাস পাইছে। এসময়ত মাহেকত ১১ হাজাৰকৈ গোচৰ ৰুজু হৈছিল সেয়া এতিয়া প্ৰায় ৬ হাজাৰলৈ হ্ৰাস পাইছে। ৰাজ্যখনৰ অপৰাধজনিত ঘটনা প্ৰায় নিয়ন্ত্ৰিত হৈ পৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আৰক্ষীয়ে জনমুখী সেৱাৰে কাম কৰি

আহিছে। প্ৰযুক্তিগতভাৱেও আজি অসম আৰক্ষী আগবাঢ়ি গৈছে যাৰ বাবে বৰ্তমান অসম আৰক্ষীৰ ওপৰত জনসাধাৰণৰ বিশ্বাস সুদৃঢ় হৈছে বুলিও তেওঁ কয়। বিগত ডেৰ বছৰত অসম আৰক্ষীক অধিক শক্তিশালী কৰাৰ বাবে খালী হৈ থকা পদসমূহ পূৰণৰ লগতে ৫ টা নতুন কামাণ্ডো বেটেলিয়ন সৃষ্টিৰে ১৫ হাজাৰ যুৱক-যুৱতীক নিযুক্তি প্ৰদান কৰা হৈছে বুলিও মন্তব্য কৰি তেওঁ কয় যে ৰাজ্যখনৰ অতি দৰিদ্ৰ পৰিয়ালৰ সন্তানে আৰক্ষী বাহিনীত নিযুক্তি লাভ কৰিবলৈ সক্ষম হৈছে আৰু ইয়াৰ বাবে জনসাধাৰণৰ মাজত এক উৎসাহৰ পৰিৱেশৰো সৃষ্টি হৈছে। সকলো খালী পদে পূৰ্ণ কৰা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বৰ্তমান তিনিহাজাৰ পদোন্নতি দিবলগীয়া পদহে খালী আছে। মুখ্যমন্ত্ৰীয়ে অসম আৰক্ষীত নতুনকৈ নিযুক্তিপ্ৰাপ্তসকলৰ উন্নত প্ৰশিক্ষণ প্ৰদানৰ লগতে তেওঁলোকক জনসাধাৰণৰ সেৱাত নিষ্ঠাৰে আত্মনিয়োগ কৰাৰ দিশত উদগণি যোগাবলৈও তেওঁ শীৰ্ষ বিষয়াসকলক আহ্বান জনায়।

অপৰাধৰ বিজ্ঞানসন্মত তদন্ত, উগ্ৰপন্থীৰ বিৰুদ্ধে শূন্য সহলনশীলতা আৰু দুখীয়া মানুহৰ গোচৰসমূহ সৰ্বাধিক গুৰুত্ব প্ৰদানেৰে ৰাজ্য চৰকাৰে অসম আৰক্ষীক দেশৰ ভিতৰতে অন্যতম শ্ৰেষ্ঠ আৰক্ষী বাহিনী হিচাপে গঢ়ি তুলিব বিচাৰে বুলিও ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। বাৰ্মিজ চুপাৰী চিণ্ডিকেট, বাংলাদেশলৈ গাড়ীৰে চোৰাংভাৱে গৰু সৰবৰাহ কৰা, মহিলাৰ বিৰুদ্ধে অপৰাধ আদি যিকোনো মূল্যৰ বিনিময়তে সহ্য কৰা নহ'ব বুলিও মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ কয় যে ড্ৰাগছৰ বিৰুদ্ধে কেতবোৰ জিলাই যথেষ্ট সফলতা লাভ কৰিছে যদিও সকলো জিলাই সমভাৱে এই সফলতা লাভ কৰিব লাগিব। আৰক্ষী বাহিনীৰ লোকসকলৰ কল্যাণৰ বাবে ৰাজ্য চৰকাৰে কাম কৰি যাব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীৰ সন্মুখত অসম আৰক্ষীয়ে প্ৰমাণ কৰিব লাগিব যে দেশৰ ভিতৰত অসম আৰক্ষী অতি উৎকৃষ্ট।

অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে যে আগন্তুক ৬ মাহত চাইবাৰ চিকিউৰিটি তথা চাইবাৰ অৰ্থনৈতিক অপৰাধ ৰোধ কৰাৰ বাবে দৃঢ়তাৰে পদক্ষেপ লোৱা হ'ব। ৰাজ্যখনত পথ দুৰ্ঘটনাৰ সংখ্যা হ্ৰাস পাইছে যদিও এই ক্ষেত্ৰত আৰু বহুদূৰ যাবলগীয়া আছে বুলি মন্তব্য কৰি অসম আৰক্ষীয়ে এই ক্ষেত্ৰত দৃঢ়তাৰে কাম কৰিব লাগিব বুলি তেওঁ কয়। ভাষণ প্ৰসংগত তেওঁ অপৰাধীক দোষী সাব্যস্তকৰণৰ হাৰ বৃদ্ধি কৰাত গুৰুত্ব আৰোপ কৰিবলৈও আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে আৰক্ষীয়ে অপৰাধীক দোষী সাব্যস্ত কৰিব পৰাকৈ দৃঢ়তাৰে পদক্ষেপ গ্ৰহণ কৰিব লাগিব। জনসাধাৰণক তৎকালীন সঁহাৰি আৰু তৎকালীন সকাহ দিয়াৰ বাবে অসম আৰক্ষীক তৎপৰ হ'বলৈও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। অহা এবছৰত সমাজখনলৈ এই দিশত এটা বাৰ্তা প্ৰেৰণৰ বাবে ৰাজ্য চৰকাৰে কাম কৰিব বুলিও তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে আইনৰ জৰিয়তে দোষীক শাস্তি প্ৰদান কৰিব পাৰিলেহে সফলতা লাভ কৰিব পৰা যাব। তেওঁ কয় যে অপৰাধ অনুসন্ধান, অপৰাধীক দোষী সাব্যস্ত কৰিব পৰাকৈ পদক্ষেপ গ্ৰহণে হ'ব ৰাজ্য চৰকাৰৰ লক্ষ্য। বিগত সময়ছোৱাত ৫ টা জেহাদী মডিউল ধ্বংস কৰা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কোনো এটা মডিউলেই যাতে অসমত কাম-কাজ চলাই যাব নোৱাৰে তাৰ বাবে দৃঢ়তাৰে পদক্ষেপ গ্ৰহণ কৰিছে। এই ক্ষেত্ৰত আৰক্ষীয়ে বিশেষভাৱে আৰু বিজ্ঞানসন্মতভাৱে কৰ্মত নিয়োজিত হ'ব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে পি এফ আইক নিষিদ্ধ কৰিছে। অসম চৰকাৰেও এই ক্ষেত্ৰত তৎকালীনভাৱে

ব্যৱস্থা গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে পি এফ আইৰ লগত জড়িতসকলৰ বিৰুদ্ধে আৰক্ষীয়ে দৃঢ়তাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

আজিৰ এই অনুষ্ঠানত কৃষিমন্ত্ৰী অতুল বৰা, কেন্দ্ৰীয় গৃহ সচিব অজয় কুমাৰ ভল্লা, ইণ্টেলিজেন্স ব্যুৰ' অৱ ইণ্ডিয়াৰ সঞ্চালক তপন কুমাৰ ডেকা, মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰ, আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্ত, ৰাজ্যৰ গৃহ বিভাগৰ প্ৰধান সচিব নিৰজ বাৰ্মা, গৃহ বিভাগৰ আয়ুক্ত দিগন্ত বৰা, জিলা আৰক্ষী অধীক্ষক, অতিৰিক্ত আৰক্ষী অধীক্ষককে ধৰি বহু শীৰ্ষ বিষয়া উপস্থিত থাকে।

আনহাতে, আজি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে দেৰগাঁওস্থিত আৰক্ষী প্ৰশিক্ষণ চৌহদত নৱনিৰ্মিত অসম আৰক্ষী সন্মিলন কেন্দ্ৰটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে।

**নিঃকুঃদাঃ**
**৯/১০/২০২২**